৫ নং প্ৰশ্নৰ উত্তৰ ঃ তৎক্ষণিক স্মৃতি নিম্নোক্ত ধৰণে উন্নত কৰিব পাৰি -

- মনক সক্ৰিয় কৰি ৰখা। যিবোৰ কামত চিন্তন আৰু শিকনৰ প্ৰয়োজন হয় তেনে কাৰ্যৱলীত অংশগ্ৰহণ কৰা। যেনে- ভাষণ শুনা।
- ব্যায়াম কৰা। শাৰীৰিক অনুশীলনেও তাৎক্ষণিক স্মৃতি উন্নত কৰাত সহায় কৰে।



২.৯ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ স্মৃতি বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ বহুমুখী বিকল্প স্মৃতিৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ মানুহৰ স্মৃতি প্ৰক্ৰিয়াত তাৎক্ষণিক স্মৃতি কিদৰে উপকাৰী?

(খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ স্মৃতিৰ প্ৰকাৰ সমূহৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ দীৰ্ঘকালীন আৰু হ্ৰস্বকালীন স্মৃতিৰ মাজৰ পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ ঃ স্মৃতিৰ বৈশিষ্ট্যসমূহ নিৰ্দ্ধাৰণ কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০ ৰ পৰা ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কিদৰে মানসচিত্ৰই উপযুক্ত ভাৱে স্মৃতি ৰোমন্থন কৰাত সহায় কৰে বুজাই লিখক।

প্ৰশ্ন ২ ঃ স্মৃতিৰ প্ৰক্ৰিয়া হিচাপে পুনঃস্মৰণ আৰু পুনঃচিনাক্তকৰণ পদ্ধতি সমূহ নিজৰ ভাষাত বহলাই লিখক।

প্ৰশ্ন ৩ ঃউপযুক্ত স্মৃতিৰ প্ৰক্ৰিয়া অথবা কৌশলসমূহ আলোচনা কৰক।

*** ***** ***